**NSD NEWS UNIT**

AKASHVANI, GUWAHATI

0000000000

**Date : 10**-08-2025

**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::**

**১।** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে দেশৰ জনসাধাৰণৰ সহযোগিতা আৰু সমৰ্থনৰ জৰিয়তে তেওঁৰ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস কৰি আছে।

**২।** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ বাবা খৰকসিং মাৰ্গত সাংসদসকলৰ বাবে নিৰ্মাণ কৰা ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব।

**৩।** ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে কৈছে যে ভাৰতৰ ন্যায়িক ব্যৱস্থা, কাৰ্যপালিকা আৰু বিধানমণ্ডলীয়ে দেশৰ প্ৰতিজন নাগৰিকক ন্যায় প্ৰদান কৰাৰ বাবে সদা-প্ৰস্তুত।

**৪।** আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত অহা **১৫** আগষ্টত আলাস্কাত হবলগীয়া বৈঠকৰ পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিয়ে কঠোৰ নিৰাপত্তা সুনিশ্চিত কৰণত গুৰুত্ব আৰোপ কৰিছে। ***আৰু***

**৫।** দেশৰ প্ৰযুক্তিখণ্ডত সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি ইছৰ'ৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে দেশৰ জনসাধাৰণৰ সহযোগিতা আৰু সমৰ্থনৰ জৰিয়তে তেওঁৰ চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস কৰি আছে। বেংগালুৰুত আজি নাম্মা মেট্ৰৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰি শ্ৰী মোদীয়ে সংস্কাৰ

প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ জৰিয়তে ভাৰতক এখন বিকশিত দেশ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁৰ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰে। ২০১৪ চনৰ পূৰ্বে ভাৰতবৰ্ষ ১০ খন অনুন্নত দেশৰ তালিকাত থকাৰ সময়তে এই যাত্ৰাৰ আৰম্ভ হৈছিল বুলি উল্লেখ কৰি তেওঁ কয়, যে ভাৰত বৰ্তমান বিশ্বৰ পঞ্চম তথা দ্ৰুততম অৰ্থনীতিক হিচাপে বিবেচিত হৈছে আৰু মেট্ৰ ৰেল সেৱা পূৰ্বৰ পাঁচখন চহৰৰ পৰা বৰ্তমান ২৪ খন চহৰলৈ সম্প্ৰসাৰিত হৈছে।

ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে বেংগালুৰুত ২২ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও মেট্ৰ প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ বেংগালুৰু আৰু বেলাগাভিৰ মাজৰ বন্দে ভাৰত ৰেল সেৱাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। ইয়াৰ লগতে তেওঁ ভাৰ্চুৱেল ব্যৱস্থাৰে অমৃতসৰৰ পৰা কাটৰা আৰু নাগপুৰৰ পৰা পুনেলৈ বন্দে ভাৰত ৰেল সেৱাৰো শুভৰম্ভ কৰে।

সিন্দূৰ অভিযানৰ পাছত এয়া তেওঁৰ প্ৰথম বেংগালুৰু যাত্ৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে, এই অভিযানত ভাৰতীয় বাহিনীসমূহৰ সাফল্য সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয়, যে সমগ্ৰ বিশ্বই বৰ্তমান ভাৰতৰ এই নতুন ৰূপ প্ৰত্যক্ষ কৰিছে। সিন্দূৰ অভিযানৰ সাফল্যৰ বাবে তেওঁ দেশৰ প্ৰযুক্তি, ক্ষমতা আৰু প্ৰতিৰক্ষা খণ্ডত মেক ইন ইণ্ডিয়াৰ শক্তি সন্দৰ্ভতো আলোকপাত কৰে।

নাগপুৰত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী ডেৱেন্দ্ৰ ফাড়নাবিছে বিদৰ্ভৰ পৰা পুনেলৈ যাত্ৰীৰ সংখ্যা বহু বেছি, কিন্তু বৰ্তমান সময়ত যাত্ৰীসকলে ব্যায়বহুল টিকট ক্ৰয় কৰাৰ লগতে বহু সময়ত তেওঁলোকে ব্যক্তিগত বাহনেৰে যাত্ৰা কৰিবলগীয়া হয়। এই ক্ষেত্ৰত যাত্ৰাৰ সময়ো অধিক হয় বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

এই সকলোবোৰ দিশ চালিজাৰি চাই ৰাজ্য চৰকাৰে নাগপুৰ-পুনে ৰেল সেৱা আৰম্ভ কৰাৰ বাবে ৰেল মন্ত্ৰীক অনুৰোধ জনায় আৰু এই অনুৰোধৰ প্ৰতি সঁহাৰিস্বৰূপে আজি এই ৰেল সেৱা মুকলি কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, দেশৰ সকলোবোৰ বন্দে ভাৰত এক্সপ্ৰেছ ৰেলগাড়ীৰ ভিতৰত নাগপুৰ-পুনে বন্দে ভাৰত এক্সপ্ৰেছে দীৰ্ঘতম দূৰত্ব সামৰি লব।

ooooo

শ্ৰী মোদীয়ে আজি অমৃতসৰ-শ্ৰীমাতা বৈষ্ণৱ দেৱী কাটৰা বন্দে ভাৰত ৰেলগাড়ীৰ যাত্ৰাও পতাকা জোকাৰি শুভাৰম্ভ কৰে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা মতে জম্মু-

কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহাই এই বন্দেভাৰত এক্সপ্ৰেছ ৰেল সেৱাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই ৰেল সেৱাই শ্ৰী বৈষ্ণৱ দেৱী মন্দিৰলৈ ভক্তসকলৰ যাত্ৰা সূচল কৰাৰ লগতে স্থানীয় অৰ্থনীতিৰ বিকাশত যথেষ্ট অৰিহণা যোগাব। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জম্মু-কাশ্মীৰৰ আন্তঃগাঁথনি, বিশেষকৈ ৰেল খণ্ডত অভূতপূৰ্ব বিকাশ পৰিলক্ষিত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ বাবা খৰকসিং মাৰ্গত সাংসদসকলৰ বাবে নিৰ্মাণ কৰা ১৮৪ টা আৱাস আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। উল্লেখযোগ্য যে টাইপ ছেভেন আৰ্হিৰ আৱাসেৰে কেইবামহলীয়া এই অট্টালিকাটো নতুনকৈ নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে প্ৰধানমন্ত্ৰীয়ে কাইলৈ সেন্দূৰ গছৰ এটি পুলিও ৰোপণ কৰিব আৰু শ্ৰমজীৱিসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে, প্ৰায় ৫ হাজাৰ বৰ্গফুট এলেকা সামৰি নতুনকৈ নিৰ্মাণ কৰা প্ৰতিটো আৱাসত সাংসদসকলৰ বাবে থকাৰ সুবিধাৰ লগতে চৰকাৰী কাম-কাজ কৰিব পৰাকৈ পৰ্যাপ্ত স্থান থাকিব।

এই বৃহৎ আৱাসিক চৌহদটোত কাৰ্যালয়, কৰ্মচাৰীৰ আৱাস আৰু সামুহিক কেন্দ্ৰৰ বাবে নিৰ্ধাৰিত স্থান সুকীয়াকৈ ৰখাৰ পৰিপ্ৰেক্ষিতত সাংসদসকলে  জনপ্ৰতিনিধি হিচাপে নিজৰ দায়িত্ব সুকলমে পালন কৰিব পাৰিব বুলি আশা কৰা হৈছে। বিবৃতিটোত লগতে প্ৰকাশ কৰা মতে, এই চৌহদটোৰ নিৰ্মাণত  আধুনিক গাথনিগত মান অনুসৰি ভূমিকম্প প্ৰতিৰোধী ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। তদুপৰি প্ৰতিগৰাকী আৱাসীৰ নিৰাপত্তা নিশ্চিত কৰিব পৰাকৈ ইয়াত ব্যাপক সুৰক্ষা ব্যৱস্থাও গ্ৰহণ কৰা হৈছে।

০০০০০

ভাৰতৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে কৈছে যে ভাৰতৰ ন্যায়িক ব্যৱস্থা, কাৰ্যপালিকা আৰু বিধানমণ্ডলীয়ে দেশৰ প্ৰতিজন নাগৰিকক ন্যায় প্ৰদান কৰাৰ বাবে সদা-প্ৰস্তুত। ন্যায় ব্যৱস্থাৰ এই গোটেইকেইটা স্তম্ভই সহযোগিতাৰে কাম কৰি যোৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি তেওঁ কয়, যে দেশৰ প্ৰতিজন নাগৰিকক ক্ষীপ্ৰভাৱে আৰু কম খৰচত ন্যায় প্ৰদান কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে। ইটানগৰৰ নাহৰলগনত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থায়ী শাখাৰ নৱনিৰ্মিত ভৱন আজি উদ্বোধন কৰি তেওঁ এনেদৰে উল্লেখ কৰে। শ্ৰী

গাভায়ে কয়, যে স্বাধীনতাৰ পাছৰ যোৱা ৭৫ টা বছৰত বিভিন্ন দিশত অভাৱৰ সন্মুখীন হৈ দেশৰ নাগৰিকসকলে শক্তিশালী ৰূপত একত্ৰিত হৈ দেশক এখন বিকশিত দেশ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত অগ্ৰসৰ হৈছে। তেওঁ লগতে উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ আটাইতকৈ প্ৰয়োজনীয় অঞ্চল হিচাপে অভিহিত কৰি সংবিধানত এই অঞ্চলৰ বাবে থকা বিশেষ ব্যৱস্থাসমূহৰ বিষয়েও উল্লেখ কৰে। একেটা অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজু আৰু অৰ্জন ৰাম মেঘৱালৰ লগতে মুখ্যমন্ত্ৰী প্ৰেমা খান্দু, উপ-মুখ্যমন্ত্ৰী চৌনা মেইনৰ লগতে আন বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্প আৰু ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ মাজত অহা ১৫ আগষ্টত আলাস্কাত হবলগীয়া বৈঠকৰ পূৰ্বে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিয়ে কঠোৰ নিৰাপত্তা সুনিশ্চিত কৰণত গুৰুত্ব আৰোপ কৰিছে। যিহেতু ট্ৰাম্প আৰু পুটিনে ইউক্ৰেইনত যুদ্ধৰ অৱসান ঘটোৱাৰ বিষয়ে আলোচনাত মিলিত হব সেয়েহে জেলেনস্কিয়ে কৈছে যে, শান্তি, নিস্পত্তি সম্পূৰ্ণ স্বচ্ছ হোৱা উচিত। সামাজিক মাধ্যম এক্সত জেলেনস্কিয়ে ইউক্ৰেইনৰ সাৰ্বাভৌমত্ব আৰু আঞ্চলিক অখণ্ডতা ৰক্ষা কৰাৰ বাবে বিশ্বাসযোগ্য আৰু দীৰ্ঘম্যাদী সুৰক্ষা সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। শান্তিৰ বিষয়সমূহে কেৱল ইউক্ৰেইনক সুৰক্ষা প্ৰদান কৰাই নহয় বৰং ই ইউৰোপীয় ৰাষ্ট্ৰসমূহকো সুৰক্ষা প্ৰদান কৰিব লাগিব বুলি তেওঁ সকীয়াই দিয়ে।

ইউৰোপীয় নেতাসকলে ডোনাল্ড ট্ৰাম্প আৰু ভ্লাডিমিৰ পুটিনৰ মাজৰ আলোচনাৰ পৰিকল্পনাক আদৰণি জনাইছে যদিও কিভৰ প্ৰতি সমৰ্থন অব্যাহত ৰখা আৰু দীৰ্ঘম্যাদী শান্তিৰ বাবে মস্কোৰ ওপৰত হেঁচা অব্যাহত ৰাখিবলৈ আহ্বান জনাইছে। শান্তি ক্ৰয় কৰাৰ বাবে কিভে ৰাছিয়াক ভূমি এৰি নিদিবলৈ ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভলডিমিৰ জেলেনস্কিয়ে হেঁচা দিয়াৰ পাছত ফ্ৰান্স, ইটালী, জাৰ্মানী, পোলেণ্ড, ব্ৰিটেইন আৰু ইউৰোপীয় আয়োগে এই বিষয়ত কালি সন্ধিয়া বিবৃতিত প্ৰকাশ কৰিছে।

ইউৰোপীয় নেতাসকলে স্বাক্ষৰ কৰা এটা যুটীয়া বিবৃতিত এই বুলি প্ৰকাশ পাইছে যে, ইউক্ৰেইন অবিহনে ইউক্ৰেইনত শান্তিৰ সিদ্ধান্ত কেতিয়াও সম্ভৱ নহয়।

ooooo

বিগত কিছু বছৰত দেশৰ প্ৰযুক্তিখণ্ডত সৰ্বশ্ৰেষ্ঠ প্ৰতিভাৰ অংশগ্ৰহণৰ ক্ষেত্ৰত ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি ইছৰ'ৰ অধ্যক্ষ ড০ ভি নাৰায়ণনে প্ৰকাশ কৰিছে। তিৰুৱানন্তপুৰমৰ ভালিয়ামালাৰ ভাৰতীয় মহাকাশ বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ ত্ৰয়োদশ সমাৱৰ্তন সমাৰোহত এটা ভিডিঅ' বাৰ্তা যোগে তেওঁ এই বিষয়ে প্ৰকাশ কৰে। ইছৰ'ৰ অধ্যক্ষগৰাকীয়ে লগতে কয়, যে ভাৰত বৰ্তমান বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি হিচাপে বিবেচিত হৈছে আৰু এই সাফল্যত ইছৰ'ই এটা বৃহত ভূমিকা পালন কৰিছে। সমাৱৰ্তন সমাৰোহত খৰগপুৰৰ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ড০ সুমন চক্ৰৱৰ্তীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। আজিৰ এই অনুষ্ঠানত ৩০৭ গৰাকী শিক্ষাৰ্থীক বিভিন্ন ডিগ্ৰী, ডিপ্লমা আদি প্ৰদান কৰা হয়।০০০০০

০০০০০

মহাৰাষ্ট্ৰ চৰকাৰে ৰাজ্যৰ ৬০ টা কাৰাগাৰৰ গ্ৰন্থাগাৰত ৰাজা ৰামমোহন ৰায় গ্ৰন্থাগাৰ প্ৰতিষ্ঠানৰ সৈতে সামঞ্জস্য থকা আঁচনিৰ অন্তৰ্ভুক্ত কৰি একোটাকৈ কিতাপ থব পৰা বাকচ আৰু একটোকৈ কিতাপৰ ৰেক প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাৰনাবিজে বিভাগীয় কৰ্তৃপক্ষক বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে যাতে কাৰাগাৰৰ বন্দীসকলে কিতাপ পঢ়াৰ চখ গঢ়ি তুলিব পাৰে আৰু লগতে কিতাপৰ জৰিয়তে জীৱনৰ যোগাত্মক দিশটো আৱিস্কাৰ কৰিব পাৰে। ২০২৪ বৰ্ষৰ ১৩ ডিচেম্বৰত অনুষ্ঠিত ৰাজ্যিক গ্ৰন্থাগাৰ পৰিকল্পনা কমিটিৰ এখন সভাত কলকাতাস্থিত ৰাজা ৰামমোহন ৰায় প্ৰতিষ্ঠানৰ বিভিন্ন আঁচনিত গ্ৰন্থাগাৰসমূহক কেনেদৰে অন্তৰ্ভুক্ত কৰিব পৰা যায় এই বিষয়ে আলোচনা কৰা হৈছিল। তাৰ পাছতে মহাৰাষ্ট্ৰ চৰকাৰে প্ৰতিষ্ঠানটোৰ সৈতে মিলিত হৈ এই কাৰ্য আগবঢ়াই নিয়ে আৰু ফলস্বৰূপে ৰাজ্যখনৰ ৬০টা কাৰাগাৰৰ গ্ৰন্থাগাৰত কিতাপ থব পৰা বাকচ আৰু কিতাপৰ একোটাকৈ ৰেক প্ৰদান কৰাৰ বাবে অনুমতি জনায়।

০০০০০

**সমাপ্ত**